অধ্যায় ৭ ঃ দুর্যোগ ব্যৱস্থাপনা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ দুর্যোগ ব্যৱস্থাপনা

৭.৪ প্ৰাক্-দুর্যোগকালীন নিৰাপত্তামূলক ব্যাৱস্থাসমূহ

৭.৫ জৰুৰীকালীন সহায্য

৭.৬ দুর্যোগৰ সময়ত ল'বলগীয়া ব্যৱস্থাসমূহ

৭.৭ স্বেচ্ছাসেৱী সংস্থা আৰু লোকসমাজৰ অংশগ্ৰহণ

৭.৮ জাতীয় দুর্যোগ ব্যৱস্থাপনা আৰু পৰিকল্পনা

৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১০ অধিক জানিবলৈ

৭.১১ অগ্ৰগতিৰ খতিয়ান

৭.১২ সম্ভাৱ্য প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- দুর্যোগ ব্যৱস্থাপনা মানে কি এই বিষয়ে জানিব পাৰিব
- প্ৰাক্-দুর্যোগকালীন নিৰাপত্তামূলক ব্যাৱস্থাসমূহৰ বিষয়ে জানিব পাৰিব
- জৰুৰীকালীন সহাৰ্যৰ বিষয়ে ধাৰণা লভিব
- দুর্যোগৰ সময়ত ল'ব লগীয়া ব্যৱস্থাসমূহৰ বিষয়ে জ্ঞাত হ'ব
- দুর্যোগ ব্যৱস্থাপনাত স্বেচ্ছাসেৱী সংস্থা আৰু লোক-সমাজৰ অংশগ্ৰহণ সম্পৰ্কে জানিব
- জাতীয় দুর্যোগ ব্যৱস্থাপনা আৰু পৰিকল্পনাৰ বিষয়ে সম্যক ধাৰণা লভিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি দুর্যোগৰ সংজ্ঞা, প্ৰকাৰ, কিছুমান প্ৰকৃতিক তথা মানৱ সৃষ্ট দুর্যোগ আদিৰ বিষয়ে অধ্যয়ন কৰিলে। সেই অধ্যায়টিয়ে আপোনক দুর্যোগ সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিলে।

দুর্যোগ আকস্মিক ঘটনা, সাধাৰণতে কোনো আগজাননী নিদিয়াকৈ বা অতি কম সময়ৰ পূৰ্বাভাষ দি ই সংঘটিত হয়। সকলো দুর্যোগ প্ৰতিৰোধ কৰিব নোৱাৰি কিন্তু উপযুক্ত পৰিকল্পনা আৰু পূৰ্ব-প্ৰস্তুতি থাকিলে ইয়াৰ প্ৰভাৱ যথেষ্ট সীমিত কৰিব পাৰি। দুর্যোগৰ আগজাননী

বা ভৱিষ্যদ্বাণী কৰা অতি কঠিন। অৱশ্যে আধুনিক প্রযুক্তিবিদ্যা আৰু সেৱাব্রতী পেছাদাৰিত্বই দুর্যোগৰ পূর্বাভাষ পোৱা আৰু তাৰ বাবে প্রস্তুতি চলোৱাটো বহু পৰিমাণে সম্ভৱপৰ কৰি তুলিছে। এই অধ্যায়টিত আমি দুর্যোগ ব্যৱস্থাপনা কেনে দৰে কৰিব পাৰি সেই বিষয়ে অধ্যয়ন কৰিম।

দুর্যোগ ব্যৱস্থাপনা মানে কি, প্রাক্-দুর্যোগকালীন নিৰাপত্তামূলক ব্যাৱস্থাসমূহ, জৰুৰীকালীন সহার্য, দুর্যোগৰ সময়ত ল'ব লগীয়া ব্যৱস্থাসমূহ, দুর্যোগ ব্যৱস্থাপনাত স্বেচ্ছাসেৱী সংস্থা আৰু লোক-সমাজৰ অংশগ্রহণ তথা জাতীয় দুর্যোগ ব্যৱস্থাপনা আৰু পৰিকল্পনাৰ বিষয়ে এই অধ্যায়টিয়ে আপোনাক সম্যক প্রদান কৰিব।

৭.৩ দুর্যোগ ব্যৱস্থাপনা

মানৱ সৃষ্টই হওক বা প্রাকৃতিক দুর্যোগেই হওক এইবোৰে মানৱ সমাজত গভীৰ প্রভাৱ পেলায়। প্রাকৃতিক দুর্যোগৰ ফলত মানুহৰ মৃত্যু তথা হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ আমি কেতিয়াও ৰোধ কৰিব নোৱাৰো। কিন্তু এই ক্ষয়-ক্ষতিৰ পৰিমাণ কিছু পৰিমাণে হ্রাস কৰিব পৰোঁ। ইয়াকেই দুর্যোগৰ বাবে সাজু হোৱা বা দুর্যোগ ব্যৱস্থাপনা বোলা হয়। দুর্যোগ হ'ল হঠাৎ আৰু কোনো আগজাননী নিদিয়াকৈ হোৱা আকস্মিক ঘটনা। ভূঁইকঁপ, বানপানী ভূমিস্খলন, বৃহৎ ঔদ্যোগিক দুর্ঘটনা, বনজুই, আগ্নেয়গিৰিৰ উদ্গীৰণ, ঘূর্নীবতাহ, সামুদ্রিক ঘুর্নী বতাহ, শিলাবৃষ্টি, ধুমুহা, চুনামী, জোৱাৰ, গাজনি ধুমুহা (Thunder storm), খৰাং, সন্ত্রাসবাদীৰ বিধ্বংসী কার্যকালাপ, প্রাকৃতিক তথা মানৱসৃষ্ট বিভিন্ন দুর্ঘটনাকে দুর্যোগ বোলা হয়। বহু পৰিমাণে মানুহৰ কার্যাৱলীয়ে দুর্যোগৰ ক্ষয়-ক্ষতিৰ পৰিমাণ বৃদ্ধি কৰে। আগতীয়াকৈ কিছু ব্যৱস্থা ল'লে দুর্যোগৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ বহুখিনি হ্রাস কৰিব পৰা যায়। ইয়াৰ বাবে এক বিস্তৃত আৰু সু-সুংহত তথা কৌশলগত পৰিকল্পনা আৰু প্রাকৃতিক দুর্যোগৰ আগে-পিছে ল'বলগীয়া সাৱধানতা সম্পর্কে সজাগ হ'ব লাগে। দুর্যোগৰ ধৰণ অনুসৰি ইয়াৰ বাবে ল'বলগীয়া সাৱধনতাও ভিন্ ভিন্ ধৰণৰ। দুর্যোগৰ ক্ষয়-ক্ষতি লাঘৱ কৰাৰ উদ্দেশ্যে ১৯৮৭ চনত ৰাষ্টসংঘই এক গুৰুত্বপূর্ণ প্রস্তাৱ গ্রহণ কৰে। এই প্রস্তাৱ অনুসৰি ১৯৯০-২০০০-ৰ দশকটোক প্রাকৃতিক দুর্যোগ হ্রাসকৰণ আন্তর্জাতিক দশক হিচাপে ঘোষণা কৰা হৈছিল। এই প্রস্তাৱত থকা দফাসমূহ এনে ধৰণৰ —

(১) প্রতিখন ৰাষ্ট্রৰে প্রাকৃতিক দুর্যোগৰ আগজাননী দিয়াৰ সাম্যর্থ বৃদ্ধি কৰা

(২) প্রাকৃতিক দুর্যোগৰ ফলত হ'ব পৰা ক্ষয়-ক্ষতিৰ হ্রাসকৰণ আৰু এইবোৰৰ পূর্বাভাস দিয়াৰ ক্ষেত্রত বর্তমানে থকা আৰু ভৱিষ্যতে সম্ভৱ হ'ব পৰা বিজ্ঞানসম্মত ব্যাৱস্থাৰ প্রসাৰ ঘটোৱা

(৩) প্রাকৃতিক দুর্যোগৰ বিশ্লেষণ, প্রতিৰোধ, সমাধান আৰু পূর্বভাস দিয়াৰ ক্ষেত্রত বর্তমানে থকা আৰু ভৱিষ্যতে সম্ভৱ হ'ব পৰা ব্যাৱস্থাৰ প্রসাৰ ঘটোৱা

(৪) প্রাকৃতিক দুর্যোগ নিৰাময় কৰাৰ নীতি-নির্দেশনা আৰু প্রদর্শনমুখী প্রকল্প ৰচনা কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোনটো দশকক ৰাষ্ট্রসংঘই দুর্যোগ হ্রাসকৰণ আন্তর্জাতিক দশক হিচাপে ঘোষণা কৰিছিল?

.....

৭.৪ প্রাক্-দুর্যোগকালীন নিৰাপত্তামূলক ব্যাৱস্থাসমূহ

দুর্যোগৰ আগজাননী বা দুর্যোগৰ আগলি বতৰা বুলি কওঁতে আমি সাধাৰণতে আশা কৰা বাক্য এটা এনে ধৰণৰ হ'ব পাৰে — "অহা ইমান বছৰৰ ভিতৰত অমুক ঠাইত ইমান মাত্রাৰ ভূঁইকঁপ এটা হোৱাৰ সম্ভাৱনা আছে অথবা এনে সম্ভৱনা নুই কৰিব নোৱাৰি।" ইয়াত উল্লেখ কৰা 'ইমান বছৰ', 'অমুক ঠাই' আৰু 'ইমান মাত্রা' — এইবোৰৰ প্রতিটোৰ একোটা সংখ্যাগত মান ধৰি দিয়া থাকিব লাগিব। ঘটিবলগীয়া ভূঁইকঁপটোৰ ক্ষয়-ক্ষতিৰ পৰিমাণ যাতে কমাব পৰা যায়— এইটোৱেই হ'ল আগলি বতৰাৰ প্রথম আৰু প্রধান উদ্দেশ্য।

যিকোনো দুর্যোগৰ আগলি বতৰাৰ প্রথম আৰু প্রধান উদ্দেশ্য হ'ল, যাতে ইয়াৰ ফলত হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ কমাব পৰা যায়। প্রধানতঃ উন্নয়নশীল আৰু অনুন্নত দেশসমূহত প্রাকৃতিক দুর্যোগৰ প্রভাৱ আটাইতকৈ বেছি। ইয়াৰ প্রকৃত কাৰণ হ'ল এনে দেশসমূহত দুর্যোগ ব্যৱস্থাপনাৰ প্রয়োজনীয় আন্তঃগাঁথনি তথা সুসংহত পৰিকল্পনাৰ অভাৱ। আনহাতে বর্দ্ধিত জনসংখ্যাও ক্ষয়-ক্ষতি বৃদ্ধিৰ অন্যতম কাৰণ।

- **আগতীয়া সর্তকতাঃ** আগতীয় সর্তকতা অবলম্বন কৰিবলৈ হ'লে পৰিকল্পিত আৰু বিজ্ঞানসম্মতভাৱে অগ্রসৰ হ'ব লাগিব। তেতিয়াহে যিকোনো দুর্যোগৰ সম্মুখিন হ'ব পৰা যাব। ইয়াৰ বাবে প্রতিখন ৰাষ্ট্রৰে প্রাকৃতিক দুর্যোগৰ আগজাননী দিয়াৰ সামর্থ থাকিব লাগিব। তদুপৰি ইয়াৰ বাবে জনসাধৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিভিন্ন পর্যায়ত বিভিন্ন সংস্থাসমূহক দায়িত্ব দিব লাগিব। দুর্যোগ ব্যাৱস্থাপনা বিভিন্ন সংস্থাসমূহ পর্যয় ক্রমে তলৰ তালিকাখনত দেখুওৱা হ'ল —

তালিকা ৭.১ ঃ দুর্যোগ ব্যাৱস্থাপনাৰ বিভিন্ন সংস্থা

পর্যায়	*সংস্থা*
১) ৰাষ্ট্রীয়	গৃহ মন্ত্রণালয়, কেন্দ্রীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগ
২) ৰাজ্যিক	দুর্যোগ ব্যাৱস্থাপনা বিভাগ
৩) জিলা	জিলা দণ্ডাধীশৰ কার্যলয়
৪) মহকুমা	মকুমাধীপতিৰ কার্যালয়
৫) খণ্ড-উন্নয়ন	খণ্ড-উন্নয়ন বিষয়াৰ কার্যালয়

৬) পঞ্চায়ত	পঞ্চায়ত সমিতিৰ কার্যালয়
৭) গাওঁ	গাওঁ দুর্যোগ ব্যাৱস্থাপনা সমিতি

এইবোৰৰ উপৰি আমাৰ দেশত দুর্যোগ ব্যাৱস্থাপনাৰ লগত জড়িত আন কেতবোৰ চৰকাৰী তথা বেচৰকাৰী সংস্থাও আছে। এই সংস্থাসমূহ হৈছে — পুলিচ বিভাগ, অর্দ্ধ-সামৰিক বাহিনী, অসামৰিক প্রতিৰক্ষা, হোম গার্ড, অগ্নি-নির্বাপন বাহিনী, নেচেনেল কেডেট কর্পচ, নেচনেল চার্ভিচ, নেহেৰু যুৱ কেন্দ্র সংগঠন, ৰাষ্ট্রসংঘৰ এজেন্সীসমূহ (FAO, ILO, UNDP, UNFPA, UNICEF, WEP, WHO), ৰেডক্রচ চচাইটি, বিভিন্ন ৰাষ্ট্রীয় আৰু আন্তৰাষ্ট্রীয় পর্যায়ৰ স্বেচ্ছাসেৱী সংগঠন, ব্যক্তিগত তথা ৰাজহুৱা প্রতিষ্ঠান আদি।

- **তথ্যপদ্ধতিৰ আধাৰত দুর্যোগৰ আগলিবতৰা প্রস্তুতঃ** দুর্যোগৰ আগলিবতৰা দিয়াতো এটা অতি জটিল বিষয়। এই ক্ষেত্রত বিভিন্ন দুর্যোগসমূহৰ উপযুক্ত অধ্যয়নৰ প্রয়োজন আছে। বর্তমান ভূমিকম্পৰ বাহিৰে আন সকলো দুর্যোগৰ আগলিবতৰা দিয়াতো সম্ভৱপৰ হৈছে। অৱশ্যে আন্তঃৰাষ্ট্রীয় পর্যায়ৰ Nature নামৰ জার্ণাল এখনত প্রকাশিত এক গৱেষণা পত্র মতে ভূমিকম্পৰ আগলিবতৰা দিয়াটোও সম্ভৱ। উক্ত গৱেষণা পত্রৰ লেখক জনৰ নাম হৈছে অধ্যাপক সুনজি মুৰাই। দুর্যোগৰ আগজাননী দিবৰ বাবে আজিকালি বিস্তৃত অধ্যয়ন তথা তথ্য-প্রযুক্তিবিদ্যাৰ যথেষ্ঠ পৰিমাণে প্রয়োগ হ'বলৈ ধৰিছে। এই তথ্য পদ্ধতি তথা প্রযুক্তিবিদ্যাক অৱলম্বনেৰে বিভিন্ন ভৌগলিক তথ্য বিজ্ঞানসন্মতভাৱে সংগ্রহ, বিশ্লেষণ, শ্রেণীবিভাজন, সৰলীকৰণ, ৰূপান্তৰণ, উপস্থাপন আৰু প্রয়োজন সাপেক্ষে প্রণালীবদ্ধভাৱে উলিয়াই সময়পোযোগী ব্যৱহাৰৰ বাবে দিহা কৰিব পাৰি।

  প্রাকৃতিক দুর্যোগৰ আগলিবতৰা দিয়াত উপগ্রহৰ পৰা পোৱা তথ্যসমূহে বিশেষ ভূমিকা পালন কৰি আহিছে। উদাহৰণ হিচাপে ভাৰতীয় বতৰ বিজ্ঞান প্রতিষ্ঠানে দুৰদর্শনৰ জৰিয়তে বতৰৰ আগলি বতৰা সম্প্রচাৰ কৰি আহিছে। আমাৰ দেশত দূৰ সংবেদন উপগ্রহৰ পৰা পোৱা তথ্যৰ আধাৰত খৰাং বতৰ, বানপানী আৰু ঘূর্ণি বতাহৰ প্রকোপ সম্পর্কীয় আগলিবতৰা জনসাধাৰণৰ বাবে প্রচাৰ কৰি আছে। আনকি IRS-IC, IRS-ID, IRS-P3 উপগ্রহত সংযোজিত অতি শক্তিশালী সংবেদকে আহৰণ কৰা তথ্যই আমাৰ দেশত ডাঙৰ অৱবাহিকাত নির্দ্দিষ্ট সময়ৰ ব্যৱধানত বানপানীৰ স্থিতি নিৰীক্ষণ কৰে। এই সংবেদকৰ সহায়েৰে বছৰি বানপানীৰ দ্বাৰা আক্রান্ত অঞ্চলসমূহৰ মানচিত্রও তৈয়াৰ কৰি আহিছে।

  উপগ্রহবোৰৰ পৰা প্রাপ্ত তথ্যৰ সাংখিক ৰূপেৰে(Digital Data) প্রতিচ্ছবি বিশ্লেষণৰ কাম কম্পিউটাৰৰ সহায়ত অতি কম সময়ৰ ভিতৰতে কৰিব পাৰি। বানপানীকে ধৰি বা-মাৰলি আৰু ঘূর্ণিবতাহৰ প্রকোপ বেছি হোৱা ঠাইবিলাকৰ প্রতিচ্ছবি বিশ্লেষণ প্রক্রিয়াৰে ঠাৱৰ কৰি ভৌগোলিক তথ্য পদ্ধতিৰ সহায়ত তেনে দুর্যোগ হ'ব পৰা প্রকৃত সময় মানচিত্রত অংকন কৰিব পাৰি। এনে প্রাকৃতিক দুর্যোগৰ আগলিবতৰা বিভিন্ন গণমাধ্যমৰ সহায়ত সংশ্লিষ্ট কর্তৃপক্ষ তথা সেই নির্দিষ্ট ঠাইৰ জনসাধাৰণলৈ প্রেৰণ কৰিব পাৰি।

- **তথ্য পদ্ধতিৰ আধাৰত সিদ্ধান্তত উপনীত ঃ** বৰ্তমান উপযুক্ত তথ্য পদ্ধতিৰ আধাৰত দুর্যোগৰ আগলিবতৰা প্ৰস্তুত কৰাটো সহজসাধ্য হৈছে। বিশ্ব বতৰ বিজ্ঞান প্ৰতিষ্ঠানে (WMO) এই ক্ষেত্ৰত তথ্য প্ৰস্তুত, সংগ্ৰহ আৰু গৱেষনাৰ সহায়ত দুর্যোগৰ প্ৰধান কাৰণসমূহ ঠাৱৰ কৰাত উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। অৱশ্যে ইয়াৰ প্ৰাৱল্য তথা ইয়াৰ গুণগত মান উলিওৱাতো ইমান সহজসাধ্য নহয়।

  পৰিসাংখ্যিক তত্ত্ব তথা ঐতিহাসিক তথ্যৰ আধাৰতো দুর্যোগৰ সম্ভাৱনীয়তাৰ বিষয়ে আগজাননী দিব পৰা যায়। এনেদৰে সঠিকভাৱে আগজাননী দিয়াতো অতি কঠিন কাম; কিন্তু সম্ভাৱনীয়তাৰ কথা উনুকিয়াব পাৰি। উদাহৰণস্বৰূপে আগলি বতৰা এটা এনে ধৰণৰ হ'ব পাৰে — "অহা ৫ বছৰৰ ভিতৰত 'ক' ঠাইত ভূমিকম্প হোৱাৰ ৭০-৮০ শতাংশ সম্ভাৱনা আছে।" এই আগলি বতৰাই কিন্তু এইটো নুবুজায় যে হ'বলগীয়া ভূঁইকঁপটো অহা কেইদিনমানৰ ভিতৰত বা অহা ২০ বছৰৰ পাছত সংঘটিত হোৱাৰ সম্ভাৱনা একেবাৰেই নাই। ভূঁইকঁপৰ আগলি বতৰা এটা এনেধৰণৰ তথ্যৰ আধাৰত প্ৰস্তুত কৰাটো অতি জটিল বিষয়। তথ্য পদ্ধতি তথা ভৌগলিক তথ্য আৰু আনুষঙ্গিক কৌশলসমূহে দুর্যোগৰ মূল্যায়ন আৰু ব্যৱস্থাপনাত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। কিয়নো তথ্য সমৃদ্ধ, উদ্দেশ্যমুখী এই বিশ্লেষণবোৰে প্ৰশাসন, স্বেচ্ছাসেৱী আৰু উন্নয়নকামী অনুষ্ঠানবোৰক বাস্তৱমুখী সিদ্ধান্তত উপনীত হৈ অধিক কাৰ্যদক্ষ হোৱাত অৰিহণা যোগায়।

  বৰ্তমান সময়ত ভৌগলিক তথ্য পদ্ধতি (GIS) আৰু দূৰ সংবেদন (Remote Sensing) আৰু গোলকীয় অৱস্থান পদ্ধতি (GPS) কৌশলসমূহ প্ৰয়োগ কৰি একোটা নিৰ্দ্দিষ্ট সিদ্ধান্তত উপনীত হব পৰা যায়। সম্পূৰ্ণ ভৌগোলিক তাৎপৰ্যৰে একো একোটা ভৌতিক, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বৈশিষ্ট্যক সামূহিকভাৱে বা গাইগুটীয়াকৈ মানচিত্ৰৰ মাধ্যমত উপস্থাপন, বিশ্লেষণ বা একত্ৰীকৰণ কৰিব পৰা কৌশলেই হৈছে ভৌগলিক তথ্য পদ্ধতি (GIS)। যিকোনো অঞ্চলৰ তথ্য সংগ্ৰহ কৰি মানচিত্ৰসহ ভূগোলবিজ্ঞানৰ পদ্ধতিৰে আৰ্হি তৈয়াৰ কৰিলে যিকোনো দুর্যোগৰ পৰিচালনা তথা ব্যৱস্থাপনাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিব পৰা যায়।

- **দুর্যোগ ব্যাৱস্থাপনাৰ পৰিকল্পনা প্ৰস্তুত ঃ** প্ৰাকৃতিক দুর্যোগবোৰ প্ৰাকৃতিৰ একো একোটা স্বাভাৱিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই মানুহৰ সম্পত্তি যথেষ্ঠ পৰিমাণে ক্ষতি সাধন কৰাকে আমি দুর্যোগ বুলি কওঁ। প্ৰাকৃতিক দুর্যোগ আমি ৰোধ কৰিব নোৱাৰো যদিও তাৰ ফলত হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ কেনেকৈ হ্ৰাস কৰিব পাৰোঁ তাৰ বাবে এক বিস্তৃত আৰু সুংসহত পৰিকল্পনা তথা ব্যাৱস্থাপনাৰ প্ৰয়োজন।

  প্ৰাকৃতিক দুর্যোগ ঘটি থকা বা ঘটাৰ সম্ভাৱনা থকা বিশেষ অঞ্চলবোৰ চিনাক্ত কৰি ৰাখিব লাগে। বৰ্তমানলৈকে বিনষ্ট নোহোৱাকৈ থকা প্ৰাকৃতিক পৰিবেশ মানুহৰ ধ্বংসাত্মক কাৰ্যৱলীৰ দ্বাৰা আক্ৰান্ত নোহোৱাকৈ ৰাখিবলৈ চেষ্টা কৰিব লাগিব। প্ৰাকৃতিক দুর্যোগৰ আগে পিছে ল'বলগীয়া সাৱধানতা সম্পৰ্কে জনসাধাৰণক সচেতন কৰি তুলিব লাগে।

ভূমিকম্পপ্রৱণ অঞ্চলবোৰ চিনাক্ত কৰিব লাগে। ঘন জনবসতি থকা অঞ্চলসমূহ সুক্ষ্ম মণ্ডলত (Microzonation) বিভক্ত কৰা উচিত। সুউচ্চ অট্টালিকাসমূহৰ জৰীপ কৰি ধ্বংস হ'ব পৰাৰ আশংকাপ্রৱণ অট্টালিকাসমূহ চিনাক্ত কৰি উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগে। দুর্যোগৰ সময়ত উদ্ধাৰ কার্য চলাব পৰাকৈ উপযুক্ত ৰাষ্টা ঘাট, মুকলি ঠাই তথা প্রয়োজনীয় পৰিকাঠামোৰ জৰীপৰ ব্যৱস্থা কৰিব লাগে। বিভিন্ন সংস্থাসমূহৰ মাজত সু-সমন্বয় ৰক্ষা কৰা, সংস্থাসমূহক প্রশিক্ষণ দি সাজু কৰা, বিভিন্ন গণমাধ্যমৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত সজাগতা সৃষ্টি, চৰকাৰী প্রশাসন, বেচৰকাৰী সংস্থা তথা স্বেচ্ছাসেৱক, জনসাধাৰণৰ সক্রিয় সহযোগ নিশ্চিত কৰা, ইত্যাদি পৰিকল্পনা প্রস্তুতকৰণৰ মুখ্য লক্ষ্য হোৱা উচিত। দুর্যোগ ব্যাৱস্থাপনাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক সাজু কৰি ৰখাটোও আন এটি প্রধান কাম। দুর্যোগৰ সময়ত সহায় ল'ব পৰা মাধ্যমসমূহ হ'ল— ওৱাৰলেচ চেট, টেলিফোন, ম'বাইল ফোন, ই-মেইল, ইত্যাদি।

- **স্কুলীয়া ছাত্র-ছাত্রীৰ মাজত সজাগতা বৃদ্ধি ঃ** স্কুলীয়া ছাত্র-ছাত্রীৰ মাজত সজাগতা বৃদ্ধি কৰাটো দুর্যোগ ব্যৱস্থাপনাৰ এটা উল্লেখনীয় পদক্ষেপ। ২০০৪ চনৰ ২৬ ডিচেম্বৰৰ পুৱতি নিশা হোৱা ছুনামিৰ ফলত ভাৰতৰ কেৰেলা, তামিলনাড়ু, অন্ধ্রপ্রদেশ, আন্দামান নিকোবৰ দ্বীপপুঞ্জত প্রায় দহ শতাধিক লোকৰ মৃত্যু হৈছিল। ২০০৪ চনৰ এনে সংহাৰী ছুনামিৰ প্রতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে ২০০৫ চনৰ পৰা সমগ্র দেশতে CBSE-ৰ স্কুলীয়া পাঠ্যক্রমত সজাগতা বৃদ্ধি সম্পর্কীয় পাঠ অন্তর্ভূক্ত কৰিছে। ইয়াৰ ফলত ছাত্র-ছাত্রীয়ে দুর্যোগ এটা অহাৰ সময়ত তথা দুর্যোগ পাৰ হৈ যোৱাৰ পিছত কি কি কৰিব লাগিব বা নালাগিব সেই বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব পাৰিব আৰু ক্ষয় ক্ষতিৰ পৰিমাণ কমাব পৰা যাব।

  এছিয়ান দুর্যোগ প্রশমন কেন্দ্রই (Asian Disaster Reduction Center, ADRC)২০০৫ চনত শ্রীলঙ্কা, মালদ্বীপ আৰু ইন্দোনেচীয়াত এটা সমীক্ষা চলাইছিল। উক্ত সমীক্ষাটোত স্কুলীয়া ছাত্র-ছাত্রী, শিক্ষক আৰু সাধাৰণ জনসাধাৰণক সামৰি লোৱা হৈছিল। এই সমীক্ষাটোৰ মুখ্য উদ্দেশ্য আছিল দুর্যোগ প্রশমন সম্পর্কে প্রশিক্ষণ দিয়া আৰু পিছত ক্ষয়-ক্ষতিৰ পৰিমাণ কমাব পৰা যায় নেকি বিচাৰ কৰা। উক্ত সমীক্ষাটোত দেখা গ'ল যে প্রশিক্ষণে দুর্যোগ প্রশমনত বিশেষভাৱে সহায় কৰে। ইয়াৰ উপৰি সমীক্ষাটোত প্রকাশ পাইছিলে যে ৯০.৪ শতাংশ স্কুলীয়া ছাত্র-ছাত্রীয়ে প্রাকৃতিক দুর্যোগ সম্পর্কে অধ্যয়ন কৰি ভাল পায়। স্কুলীয়া ছাত্র-ছাত্রীৰ যোগেদি ঘৰৰ আন সদস্যয়ো দুর্যোগৰ সময়ত ল'বলগীয় সাৱধানতা তথা দুর্যোগৰ পিছত ল'বলগীয়া ব্যৱস্থা সম্পর্কে বিশদ জ্ঞান লাভ কৰে।

  দুর্যোগ প্রশমনক জনসাধাৰণৰ মাজত অধিক জনপ্রিয় কৰিবৰ বাবে তথা সজাগতা বৃদ্ধিৰ বাবে ইয়াক স্কুলৰ পাঠ্যক্রমত বাধ্যতামূলক বিষয় হিচাপে অন্তর্ভূক্ত কৰাটো দৰকাৰী। ইয়াৰ বাবে বিভিন্ন দুর্যোগসমূহৰ বিষয়ে যথাযথ পাঠ্যক্রম প্রস্তুত কৰাতো অতি আৱশ্যকীয়। সমগ্র পৃথিৱীত প্রায় ৩৪ নিযুত স্কুলীয়া ছাত্র-ছাত্রী দুর্যোগৰ কবলত পৰাৰ আশংকা কৰা হৈছে। দুর্যোগৰ সময়ত স্কুলঘৰবোৰ ভাঙিব পাৰে, কিয়নো ভূমিকম্পপ্রৱন অঞ্চলবোৰত

স্কুল ঘৰবোৰ ভূমিকম্পৰ সময়ত তিষ্ঠি থাকিব পৰা ধৰণে সজা হোৱা নাই।

- **নিৰাপদ কার্যক্রমণিকা** ঃ স্কুলীয়া ছাত্র-ছাত্রীৰ মাজত সজাগতা বৃদ্ধিৰ বাবে নিৰাপদ কার্যক্রমণিকাৰ অতি প্রয়োজন। ইতিমধ্যে ভাৰত চৰকাৰে আন্তর্জাতিক উন্নয়ণ প্রকল্প (UNDP)-ৰ সৌজন্যত দুর্যোগৰ সময়ত স্কুলত ল'বলগীয়া নিৰাপদ কার্যক্রমণিকা এটি প্রস্তুত কৰি উলিয়াইছে। ইয়াৰ মুখ্য লক্ষ্য হৈছে দুর্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা তথা দুর্যোগৰ আগত কেনেকৈ সাজু থাকিব লাগে সেই বিষয়ে প্রশিক্ষণ দিয়া।

  নিৰাপদ কার্যক্রমণিকাৰ ভিতৰত অন্তর্ভুক্ত কৰা বিষয়বোৰ হ'ল — দুর্যোগ ব্যৱস্থাপনা বিষয়টো পাঠ্যক্রমৰ অন্তর্ভুক্ত কৰা, সজাগতা বৃদ্ধি, শিক্ষা, বিভিন্ন স্তৰত জনসাধাৰণ তথা চৰকাৰী কর্মচাৰীক প্রশিক্ষণ দিয়া আৰু তেওঁলোকৰ সামার্থ বৃদ্ধি কৰা, মকড্রিল (Mock Drill), স্কুলীয়া দুর্যোগ ব্যাৱস্থাপনা সমিতি গঠন, নিৰাপদ অট্টালিকা নির্মাণত ল'বলগীয়া কার্যপন্থা, দুর্যোগ প্রতিৰোধী প্রযুক্তিৰ উদ্ভাৱন কৰা। যুটীয়া প্রদর্শন সেৱা, ইলেকট্রনিক নেটৱর্ক, নিউজ লেটাৰ আদি প্রতিটো অংশগ্রহণকাৰী সংস্থাৰ সহায়ত নিয়মিত ব্যৱধানত কর্মশালা অনুষ্ঠিত কৰিবলৈ ব্যৱস্থা কৰা। বিভিন্ন নেটৱর্কৰ মাজত তথ্যৰ আদান প্রদানৰ দ্বাৰা ভাৰত চৰকাৰ আৰু আন উন্নয়নমূলক সংস্থাবোৰে দুর্যোগৰ উপশম কৰিবলৈ চেষ্টা কৰা, ইত্যাদি।

  নিৰাপদ কার্যক্রমনিকাৰ যোগেদি স্কুলত স্কুল নিৰাপত্তা উপদেষ্টা সমিতি গঠন কৰি তাত প্রত্যেক শ্রেণীৰ শাখাসমূহক অন্তর্ভুক্ত কৰিব লাগে। তদুপৰি স্কুল পৰিচালনা সমিতি তথা পৰিচালকৰ যোগেদি বিভিন্ন সংস্থাসমূহৰ আপদকালীন বিষয়া, সামৰিক, প্রতিৰক্ষা, অভিযন্তা, গড়কাপ্তানী বিভাগ, স্থানীয় নিবাসসমূহ, স্বাস্থ্য বিভাগ, ইত্যাদি সকলোৰে একেলগে দুর্যোগৰ উপশমৰ বাবে স্কুল নিৰাপত্তাৰ হাতপুথি প্রস্তুত কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ দুর্যোগ ব্যাৱস্থাপনাত ভাৰতীয় ৰাষ্ট্রীয় পর্যায়ৰ সংস্থাটোৰ নাম কি?

.....

প্রশ্ন নং ৩ ঃ কোন চনৰ পৰা সমগ্র দেশতে CBSE-ৰ স্কুলীয়া পাঠ্যক্রমত সজাগতা বৃদ্ধি সম্পর্কীয় পাঠ অন্তর্ভূক্ত হৈছে?

.....

৭.৫ জৰুৰীকালীন সাহায্য

যিকোনো প্রাকৃতিক দুর্যোগ এটা হৈ যোৱাৰ পিছত জীৱিত বা আঘাতপ্রাপ্ত অথবা

আক্রান্ত হৈ থকা মানুহ বা আন জীৱ-জন্তুক দ্রুতগতিত উদ্ধাৰ কৰি জৰুৰীকালীন সাহায্য প্রদান কৰাতো নিতান্তই আৱশ্যকীয়।

ভূঁইকঁপ বা অন্য প্রাকৃতিক দুর্যোগ আহক বা নাহক কিন্তু আমাৰ দুর্যোগ প্রশমন বিভাগ কিমান দূৰ সাজু সেইটো নির্ভৰ কৰে উদ্ধাৰ অভিযানৰ বাবে প্রয়োজনীয় সা-সজুলি যুগুত ৰখা, ক্ষয়-ক্ষতিৰ পাছত নিয়ন্ত্রণকক্ষ স্থাপন, সাহায্য আদি মজুতকৰণ, পানী যোগান, বিজুলী সৰবৰাহ, প্রাথমিক চিকিৎসা, বিকল্প জনসংযোগ, অত্যাৱশ্যকীয় সেৱা আৰু সমন্বয় ব্যৱস্থা ঠিক মতে কৰাটোত।

- **পানী যোগান ঃ** দুর্যোগৰ সময়ত, বিশেষকৈ বানপানীৰ সময়ত, খোৱাপানীৰ বাবে দমকলসমূহৰ মুখবোৰ বান্ধি ৰখা, কুঁৱাত ব্লিচিং পাউদাৰ দিয়া, ইত্যাদি প্রধান কাম। পানী ভালকৈ উতলাই খাব লাগে। প্রয়োজন হ'লে বিকল্প পানীযোগানৰ ব্যৱস্থা কৰাটো অত্যন্ত দৰকাৰী।
- **বিজুলী সৰবৰাহ ঃ** দুর্যোগৰ সময়ত বা পিছত সাধাৰণতে বিজুলী সৰবৰাহ ব্যাহত হয়। তাৰ বাবে বিকল্প ব্যৱস্থাৰ প্রয়োজন। অপাৰম্পৰিক বিজুলী শক্তিৰ ব্যৱস্থা কৰাৰ প্রয়োজন, উদাহৰণস্বৰূপে— সৌৰ শক্তিৰ দ্বাৰা বিজুলী যোগান ধৰাতো আৱশ্যকীয়। বিজুলী সৰবৰাহ তথা মেৰামতিৰ বাবে বিজুলী বিভাগ সদা সাজু হৈ থকাটো নিতান্তই উচিত আৰু তাৰ বাবে বিশেষভাৱে কর্মচাৰীক প্রশিক্ষণ দিয়া প্রয়োজন। দুর্যোগপ্রৱণ অঞ্চলবোৰ চিনাক্ত কৰি উপযুক্ত নিৰাপদ ব্যৱস্থা সংযুক্ত কৰি লোৱাতো আৱশ্যকীয়। অট্টালিকাসমূহত নিৰাপদ ব্যৱস্থা সংযোজিত বিজুলী যোগানৰ প্রয়োজন। অত্যাৱশ্যকীয় সেৱাসমূহত বিকল্প বিজুলী শক্তিৰ দ্বাৰা চালিত প্রযুক্তিৰ প্রয়োগ নিশ্চিতকৰণ কৰা উচিত যাতে দুর্যোগৰ সময়ত কোনো অসুবিধা নহয়।

  দুর্যোগৰ সময়ত সাধাৰণতে বিজুলী চর্ট-চার্কিত হৈ জুই লাগিব পাৰে, তাৰে বাবে প্রত্যেকতো অট্টালিকাত জুই নুমুৱা যতনৰ ব্যৱস্থা থকাটো উচিত। সম্ভৱ হ'লে দুর্যোগৰ আগত বিজুলী সৰবৰাহ বন্ধ কৰি দিয়াতো অত্যন্ত আৱশ্যকীয় কাম। প্রত্যেকে টর্চ লাইট সাজু কৰি ৰাখিব লাগে যাতে দুর্যোগৰ সময়ত ব্যৱহাৰ কৰিব পাৰি। অতিৰিক্ত বেটাৰী, হাৰিকেন লেম্প সাজু কৰি লোৱা উচিত।
- **আন্তঃগাঁথনি ঃ** দুর্যোগৰ সময়ত সাধাৰণতে আন্তঃগাঁথনিৰ বহুতো ক্ষয়-ক্ষতি হয়। বিশেষকৈ ৰাষ্টা ঘাটৰ অৱস্থা শোচনীয় হয়। অসমৰ ক্ষেত্রত বানপানীয়ে ৰাষ্টা-ঘাট তথা অন্যান্য আন্তঃগাঁথনিৰ বহুতো ক্ষতি সাধন কৰে। ধুমুহা বতাহে কৰা ধ্বংসলীলাৰ বাবে বহুতো ঘৰ ক্ষতিগ্রস্ত হয়। ইয়াৰ লগত মোকাবিলা কৰাৰ কাৰণে ঘাইকৈ গড়কাপ্তানী বিভাগ সাজু হৈ থকাটো অতি প্রয়োজন। ১৯৫০ চনৰ ভূঁইকঁপত অসমত বহুতো ৰেল লাইন বেয়াকৈ ক্ষতিগ্রস্ত হৈছিল, ৰাষ্টা ঘাটত ডাঙৰ ডাঙৰ ফাটৰ সৃষ্টি হৈছিল। দুর্যোগৰ সময়ত আন্তঃগাঁথনি ক্ষতিৰ দ্রুতভাৱে মেৰামতি কৰাৰ বাবে অভিযন্তা তথা গড়কপ্টানী বিভাগৰ কর্মীক উপযুক্ত প্রশিক্ষণৰ ব্যৱস্থা কৰি সাজু কৰি ৰখাটো দুর্যোগ ব্যৱস্থাপনা বিভাগৰ অন্যতম দিশ।

- **সাহায্য শিবিৰ পৰিচালনা ঃ** দুর্যোগ এটা সংঘটিত হোৱাৰ পিছত আশ্রয় শিবিৰ নির্মাণ আৰু পৰিচালনা এটা গুৰুত্বপূর্ণ দিশ। বিশেষকৈ বানপানীৰ সময়চোৱাত বানৰ কবলৰ পৰা মানুহ আৰু জীৱ-জন্তুবিলাক স্থানান্তৰ কৰাৰ বাবে পর্যাপ্ত পৰিমাণৰ ওখ ঠাইৰ ব্যৱস্থা কৰিব লাগে আৰু সাহায্য শিবিৰ পৰিচালনা কৰিবৰ বাবে স্বেচ্চাসেৱক বাহিনী গঠন কৰিব লাগে।

  পুৰুষ মহিলাৰ সুকীয়া প্রস্রাৱগাৰ সজা, খোৱাপানী, ঔষধ, ব্লিচিং পাউদাৰ, ঝাৰু, তম্বু, শুকান খাদ্য, ইন্ধন, দলিছা, লেম্প, টর্চ, ইত্যাদিৰ ব্যৱস্থা কৰাটো অতি আৱশ্যকীয় কাম। আশ্রয়থলীত থকা মানুহৰ তালিকা কৰি প্রণালীবদ্ধভাৱে দলপতি নির্বাচন কৰি পৰিচালনা কৰা উচিত।

- **প্রাথমিক চিকিৎসা ঃ** হঠাতে সংঘটিত হোৱা দুর্যোগে মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিয়ে তথা দুর্যোগৰ প্রকাৰ ভেদে বহুতো মানুহ আঘাতপ্রাপ্ত হয়। আনহাতে দুর্যোগৰ পিছত বহুতো সংক্রামক বেমাৰৰ প্রাদুর্ভাৱ ঘটে। বহুতো চিকিৎসাকেন্দ্রৰ ক্ষতি সাধন হয়। দুর্যোগৰ সময়ত মোকাবিলা কৰিবৰ বাবে পার্যাপ্ত পৰিমাণৰ ঔষধ তথা প্রশিক্ষিত স্বাস্থ্য কর্মী সাজু কৰি ৰখাটো অন্যতম দিশ।

  দুর্যোগৰ পাছত প্রাথমিক চিকিৎসা প্রদান সুচাৰুৰূপে পালন কৰিবলৈ হ'লে উদ্ধাৰকাৰী লোক সাজু কৰি ৰাখিব লাগে আৰু উদ্ধাৰকাৰী দলৰ লগত নিম্নোক্ত সামগ্রীসমূহৰ এটা প্রাথমিক চিকিৎসা বাকচ (First Aid kit) ৰাখিব লাগে।

  - কপাহী কাপোৰ, পছমী কাপোৰ
  - আঠাযুক্ত টেপ (Adhesive Tape)
  - ক্রেইপ বেন্দেজ (Crepe Bandage)
  - বীজানুমুক্ত দ্রেছিং (Sterile Dressing)
  - ত্রিকোণীয় বেণ্ডেজ (Triangular Bandage)
  - থার্মোমিটাৰ (Thermometer)
  - কেঁচী (Scissors)
  - হাতমোজা(Glove)
  - চাবোন (Soap)
  - বিষ উপশনকাৰী ঔষধ (Pain reliever)
  - অম্লতা প্রতিৰোধক বড়ি (Antacid)
  - অ, আৰ, এছ পেকেট (ORS Packet)

  চিকিৎসাৰ বাবে উদ্ধাৰকাৰীৰ লগত চিকিৎসা কর্মী থকা সু-সজ্জিত গাড়ী মটৰৰ ব্যৱস্থা কৰিব লাগে। প্রয়োজন হ'লে উন্নত চিকিৎসাৰ বাবে আশ্রয় শিৰিৰৰ পৰা ৰোগী স্থানান্তৰ কৰিব পৰা উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগে। সংক্রামক বেমাৰ প্রতিৰোধ বাহিনী গঠন কৰি প্রশিক্ষণ দিব লাগে। সংক্রামক বেমাৰ প্রতিৰোধ কৰাৰ বাবে প্রয়োজনীয় ব্যৱস্থা, খাদ্য বিতৰণ তথা উপযুক্ত পৰিমাণৰ খাদ্য মজুত ৰখাৰ ব্যৱস্থা কৰিব লাগে।

- **যোগাযোগ ব্যৱস্থা ঃ** বর্তমান চৰকাৰী-বেচৰকাৰী বিভিন্ন সংস্থা দুর্যোগ ব্যৱস্থাপনাৰ লগত জড়িত হোৱাৰ লগতে যোগাযোগ ব্যৱস্থাৰ ক্ষেত্রতো গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। যোগাযোগ ব্যৱস্থা বুলিলে সাধাৰণতে মটৰ গাড়ী, ৰেল গাড়ী, উৰাজাহাজ, ডাক, দুৰসংযোগ আদি ব্যৱস্থাৰ কথা কোৱা হয়। ইয়াৰ ভিতৰত উপযুক্ত মাধ্যমৰোৰ হৈছে — টেলিফোন, ম'বাইল ফোন, ওৱাৰলেছ ছেট, টেলেক্স, ফেক্স, ইত্যাদি।

  একোটা দুর্যোগৰ সময়ত বিকল্প যোগাযোগ ব্যৱস্থাৰ সহায় ল'ব লগা হয়। ধুমুহা বতাহ, ভূমিকম্প, ভূমিস্খলন আৰু বানপানীয়ে সৰহভাগ যোগাযোগ ব্যৱস্থাই বিকল কৰি দিয়ে। এনে পৰিপ্রেক্ষিতত যিবোৰ ব্যৱস্থা বিকল নহয় সেইবোৰকে বিকল্প যোগাযোগ ব্যৱস্থা বোলে। বিকল্প যোগাযোগ ব্যৱস্থাত ৰেডিঅ', ওৱাৰলেছ ছেট, ইত্যাদি অন্তর্ভুক্ত কৰিব পাৰি। সাধাৰণতে দেখা যায় যে দুর্যোগ পৰিচালনাত জড়িত সংশ্লিষ্ট বিভাগ, বিভিন্ন সংস্থাৰ সৈতে সমন্বয়হীনতা আৰু সজাগতাৰ আভাৰৰ বাবে জনসাধাৰণ বেছিকৈ ক্ষতিগ্রস্থ হয়; বহুলোকে প্রাণ হেৰুৱায়, সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হয়। দুর্যোগৰ আগলিবতৰা যদি অনাতাঁৰ কেন্দ্রৰ যোগেদি সম্প্রচাৰ কৰা হয় তেতিয়া হ'লে নিশ্চয়কৈ ক্ষয়-ক্ষতিৰ পৰিমাণ কমাব পৰা যায়। ২০০৪ চনৰ ২৬ ডিচেম্বৰত ছুনামিত তামিলনাড়ু আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত ৰেডিঅ'ই যথেষ্ঠ সুফল দিছিল। ৰেডিঅ' তথা দুৰদর্শনৰ যোগেদি বতৰৰ শেহতীয়া সাৱধানবাণী আৰু পৰামর্শই এক উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে। বানপানী, ঘূর্ণীবতাহ, ইত্যাদি দুর্যোগসমূহৰ বাবে ৰাইজক সতর্ক কৰি দিয়াতো উপযুক্ত যোগাযোগ ব্যৱস্থাই যথেষ্ট সহায় কৰে।

- **পাৰস্পৰিক সহযোগিতা ঃ** দুর্যোগৰ সময়ত বা পিছত অংশগ্রহণকাৰী সংস্থাসমূহৰ পাৰস্পৰিক সহযোগিতা থকাটো নিতান্তই জৰুৰী। পাৰস্পৰিক সহযোগিতা অবিহনে দুর্যোগ ব্যৱস্থাপনাৰ পৰিকল্পনা বাস্তৱত ৰূপায়িত কৰাটো অসম্ভৱ। পাৰস্পৰিক সহযোগিতা বজাই ৰাখিবলৈ হ'লে প্রতিজন অংশগ্রহণকাৰী সদস্যক লৈ নিয়মিত ব্যাৱধানত সভা অনুষ্ঠিত কৰিবলৈ ব্যৱস্থা গ্রহণ কৰাটো উচিত।

  জনসাধাৰণ, চৰকাৰী বিষয়া, কর্মচাৰী আৰু বেচৰকাৰী সংস্থাসমূহৰ প্রত্যেকৰ সহযোগ তথা পাৰস্পৰিক সহযোগিতা অবিহনে উদ্ধাৰ তথা জনসাধাৰণক বিপদমুক্ত কৰাতো সম্ভৱ নহয়। দৰাচলতে সকলো স্তৰৰ লোকৰ এক সামূহিক প্রচেষ্টা তথা সহযোগ আৰু একপ্রকাৰ যুদ্ধকালীন তৎপৰতাৰ অত্যন্ত আৱশ্যক।

- **উদ্ধাৰকাৰী বাহিনী গঠন ঃ** দুর্যোগৰ পিছত ক্ষতিগ্রস্ত লোকৰ পুনৰ সংস্থাপনৰ বাবে উদ্ধাৰকাৰী বাহিনী গঠন কৰি প্রশিক্ষিত কৰাতো নিতান্তই প্রয়োজনীয়। উদ্ধাৰকাৰী লোকৰ ব্যক্তিগত সা-সৰঞ্জামসমূহ মজুত ৰাখিব লাগে, যেনে — হেলমেট, টর্চ, গাম বুট, লাইফ জেকেট, হুইচেল, ইত্যাদি।

  উদ্ধাৰকাৰী বাহিনীৰ লগত থাকিব লগা সৰঞ্জামসমূহ হ'ল — ৰচী, জখলা, বস্তা দঙা ৰচী, টানিবলৈ ব্যৱহাৰ কৰা এবিধ মাজত খাজ কটা সৰু চকা, কাটিব পৰা ক্ষুদ্র সঁজুলি,

প্রাথমিক চিকিৎসা বাকচ, চিপৰাং, হাতুৰী, সাঙী, ইত্যাদি।

দুর্যোগৰ সময়ত বিপদাপন্ন লোকসকলক উদ্ধাৰ কৰি সাহায্য শিবিৰ তথা চিকিৎসা কেন্দ্রত ভর্তি কৰাটো উদ্ধাৰকাৰী বাহিনীৰ মুখ্য উদ্দেশ্য। উদ্ধাৰকাৰী বাহিনী গঠন কৰাৰ বাবে বাছি লোৱা সদস্যসকল সাধাৰণতে অমায়িক, ভদ্র, আবেগিকভাৱে শক্তিশালী, সিদ্ধান্ত ল'ব পৰা, সুন্দৰ স্বাস্থ্যৰ, প্রবল ইচ্ছাশক্তিৰ পুৰুষ বা মহিলা হ'ব লাগে। প্রত্যেকৰে বয়স ১৮ বছৰৰ অধিক হোৱা উচিত। প্রকৃততে উদ্ধাৰকাৰী বাহিনী গঠন কৰিবলৈ প্রাক্তন সৈনিক বা স্থানীয় অঞ্চলৰ শিল্পীক প্রাধান্য দিব লাগে। উদ্ধাৰকাৰী বাহিনীয়ে দুর্যোগ আক্রান্ত অঞ্চলসমূহ তৎপৰতাৰে সমীক্ষা কৰি তথ্য সংগ্রহ কৰাতো অত্যন্ত জৰুৰী। উদ্ধাৰকাৰী বাহিনীৰ সদস্যসকলৰ মাজত সহযোগিতা থকাটো অতি প্রয়োজনীয়।

- **অত্যাৱশ্যকীয় সেৱা আৰু সমন্বয় ৰক্ষা ব্যৱস্থা ঃ** দুর্যোগ ব্যৱস্থাপনা পৰিকল্পনাত অত্যাৱশ্যকীয় সেৱাসমূহে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। অত্যাৱশ্যকীয় সেৱা বুলি ক'লে— খাদ্য যোগান, গৰম কাপোৰ, বিচনা পত্র, খোৱা-বাচন, ইন্ধন ইত্যাদি বস্তু যোগান ধৰা কার্য তথা খোৱাপানী, প্রাথমিক চিকিৎসা সেৱাক অন্তর্ভুক্ত কৰিব পাৰি। উক্ত সেৱাসমূহৰ মাজত সমন্বয় ৰক্ষা ব্যৱস্থা কটকটীয়া হোৱা উচিত।

৭.৬ দুর্যোগৰ সময়ত ল'বলগীয়া ব্যৱস্থাসমূহ

দুর্যোগ এটা সংঘটিত হোৱাৰ পিছত ল'বলগীয়া ব্যৱস্থাসমূহৰ এক পৰিকল্পনা যুগুত কৰি লোৱাতো উচিত। উক্ত পৰিকল্পনা বাস্তৱত ৰূপয়িত কৰিবলৈ হ'লে কি কি সামগ্রীৰ আৱশ্যক হ'ব তাৰ খতিয়ান লোৱাতো জৰুৰী। দুর্যোগৰ পিছত লবলগীয়া ব্যৱস্থাবোৰ হ'ল —

- মানুহক বিপদৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰা
- জীৱিত, আঘাতপ্রাপ্ত আৰু মৃত লোকৰ চিনাক্তকৰণ তথা হিচাপ ৰখা
- যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন নোহোৱাকৈ ৰখা
- চোৰ আদিৰ পৰা সম্পত্তিৰ ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰা
- অস্থায়ী আশ্রয় শিবিৰৰ ব্যৱস্থা কৰা আৰু এইবোৰত পানী যোগান, দৰৰ, নলী-নর্দমা আৰু বিজুলীৰ ব্যৱস্থা কৰা
- অত্যাৱশ্যকীয় সামগ্রী যেনে —খাদ্য, গৰম কাপোৰ, বিচনাপত্র, খোৱা বাচন, ইন্ধন, ইত্যাদিৰ যোগান ধৰা হৈছেনে নাই তাৰ খতিয়ান লোৱা
- ক্ষতিগ্রস্ত ঠাইবোৰৰ সৈতে আন ঠাইবোৰৰ যাতায়াত ব্যৱস্থা বাহাল আছেনে নাই সেইটো নিশ্চিত কৰা,
- বিপর্যয় সামকটাৰ পিছত জীৱন আৰু সম্পত্তিৰ হানি সম্পর্কে পূর্বাভাষ লোৱা,
- ক্ষয়-ক্ষতিৰ এটা সম্পূর্ণ খতিয়ান প্রস্তুত কৰা আৰু
- ক্ষতিগ্রস্ত লোকৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা আৰু অর্থনৈতিক গাঁথনি পুনৰ সাধাৰণ অৱস্থালৈ ঘুৰাই আনিবলৈ যাৱতীয় সকলো ব্যৱস্থা গ্রহণ কৰা।

- **সাহায্য শিবিৰ ব্যৱস্থাপনা ঃ** দুর্যোগৰ পিছত সাহায্য শিবিৰ স্থাপন আৰু ইয়াৰ ব্যৱস্থাপনা এটা গুৰুত্বপূর্ণ বিষয়। বিশেষকৈ দুর্যোগোত্তৰকালত পুনঃ প্রতিস্থিত হোৱাৰ বাবে ক্ষতিগ্রস্ত জনসাধাৰণক বিভিন্ন ধৰণে সহায়ৰ প্রয়োজন হয়। যেনে — তৎকালীনভাৱে অস্থায়ী ঘৰ, প্রাথমিক চিকিৎসা, খোৱাপানী, খাদ্য, খেতিৰ বাবে বীজ, ইত্যাদি।

  এই ক্ষেত্রত চৰকাৰ, পঞ্চায়তীৰাজ অনুষ্ঠান আৰু স্থানীয় স্বেচ্ছাসেৱকসমূহে একেলগ হৈ সাহায্য শিবিৰ ব্যৱস্থাপনা কৰাতো বিশেষভাৱে ফলপ্রসু হ'ব। দুর্যোগোত্তৰ কালত সাহায্য শিবিৰ ব্যৱস্থাপনাৰ দায়িত্বত থকা দলক প্রাথমিক সাহায্য, উদ্ধাৰ সজুঁলি, ৰক্ষাকাৰী সজুঁলী, খাদ্য, ঔষধ, ইত্যাদি চৰকাৰে সময়মতে যোগান ধৰা উচিত। পঞ্চায়তীৰাজ ব্যৱস্থাত পঞ্চায়তৰ সদস্যসকলে গাওঁবাসীক লৈ মুখ্য ভূমিকা পালন কৰা উচিত।
- **সম্পদ ঃ** দুর্যোগোত্তৰ কালত হোৱা ক্ষয়-ক্ষতি মোকাবিলা কৰাৰ বাবে আৱশ্যকীয় অর্থৰ যোগান অব্যাহত থকাতো নির্ভৰ কৰিব ৰাজহুৱা তথা ব্যক্তিগত প্রতিষ্ঠানৰ ধনৰ যোগানৰ ওপৰত। দুর্যোগ প্রশমন কৰাটো কেন্দ্রীয়, ৰাজ্যিক আৰু স্থানীয় চৰকাৰৰ দায়িত্ব তথা কর্তব্য। দুর্যোগোত্তৰ কালত প্রয়োজন হোৱা ধনৰ যোগান সুনিশ্চিত কৰিবলৈ হ'লে নিম্নোক্ত বিষয়সমূহ ভালদৰে পালন কৰিব লাগিব—
  - সকলো পর্যায়ৰ চৰকাৰৰে এক বিশেষ ধনৰ আবন্টন থাকিব লাগিব যিটো ধন দুর্যোগ প্রশমনৰ বাবে খৰচ কৰা হ'ব
  - দুর্যোগৰ প্রাক্-কালত আৰু দুর্যোগোত্তৰ কালত প্রয়োজন হোৱা ধনৰ পৰিমাণ নির্ভৰ কৰিব উপযুক্ত নির্দেশাৱলীৰ আধাৰত
  - আবন্টন হোৱা ধন যাতে দুর্যোগ পীড়িত অঞ্চলসমূহতহে খৰচ কৰা হয় সেইটো বিশেষভাৱে লক্ষ্য কৰিব লাগিব
  - দুর্যোগপ্রৱণ অঞ্চলৰ বাবে বিশেষ বীমা আচনিৰ ব্যৱস্থা কৰা
  - সাহায্যৰ বাবে সুকীয়াকৈ বিশেষ পুঁজি গঠন
  - ব্যক্তিগত উদ্যোগ, শিক্ষালয়, বাণিজ্যিক প্রতিষ্ঠান, বিভিন্ন বাণিজ্যিক সংগঠনক সাহায্য পুঁজি গঠনৰ বাবে উৎসাহিত কৰা
  - বিত্তীয় প্রতিষ্ঠানসমূহক ঘৰ নির্মাণ কৰোঁতে দিবলগীয়া ঋনদান কার্যসূচীত ঘৰ নির্মাণ কৰোঁতে ল'বলগীয়া যাৱতীয় সাৱধানতাসমূহ পালন কৰাতো সুনিশ্চিত কৰা, ইত্যাদি।
- **দুর্যোগোত্তৰ কালত প্রয়োজনীয় সামগ্রীৰ ব্যৱস্থাপনা ঃ** দুর্যোগোত্তৰ কালত আশ্রয় শিবিৰত তৎকালীনভাৱে কিছুমান অত্যাৱশ্যকীয় সামগ্রীৰ প্রয়োজন হয়। উক্ত সামগ্রীসমূহ সময়মতে যোগান ধৰাতো দুর্যোগোত্তৰ ব্যৱস্থাপনাৰ এটা উল্লেখনীয় দিশ। ইয়াৰ কিছুমান উল্লেখযোগ্য সামগ্রী হ'ল — খাদ্য, পানীৰ বটল, গৰম কাপোৰ কানি, ৰেডিঅ', অনাময়, কাগজ, পুৰণি বাতৰি কাগজ, চাবোন, টুথপেষ্ট, টুথব্রাছ, সৰু ল'ৰা-ছোৱালীৰ ব্যৱহৃত সামগ্রী, গধুৰ জোতা, মমবাতি, ছুৰী কটাৰী, হাতুৰী, ইত্যাদি।

  উক্ত সামগ্রীসমূহ সাহায্য শিবিৰত যোগান ধৰাৰ বাবে দুর্যোগ ব্যৱস্থাপনা সমিতিয়ে

কিছুমান সংস্থা তথা প্রশিক্ষিত কর্মীক নিয়োজিত কৰিব লাগে আৰু উক্ত সামগ্রীসমূহ প্রয়োজন অনুসৰি বিতৰণৰ ব্যৱস্থা কৰিব লাগে।

- **দুর্যোগোত্তৰ কালত সাহায্য ঃ** দুর্যোগোত্তৰ কালত সাহায্য প্রদান নিশ্চিত কৰাটো কেন্দ্রীয় চৰকাৰৰ অধীনত থকা ৰাষ্ট্রীয় সংকট ব্যৱস্থাপনা সমিতি (National Crisis Management Committee) আৰু বিভিন্ন ব্যৱস্থাপনা সমিতিসমূহৰ প্রধান দায়িত্ব। ইয়াৰ উপৰি বিভিন্ন সামাজিক অনুষ্ঠানসমূহে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। আটাইবোৰ অনুষ্ঠানৰ মাজত সুসমন্বয় ৰাখিলে ক্ষতিসমূহৰ মোকাবিলা কৰাটো সহজসাধ্য আৰু দ্রুতভাৱে সম্পন্ন হয়। দুর্যোগত্তৰ কালত প্রধানকৈ নিম্নোক্ত বিষয়সমূহৰ ওপৰত মনযোগ দিব লাগে—
  - যাতায়াত ব্যাৱস্থা উন্নিতকৰণ
  - নিৰাপদ খোৱাপানীৰ ব্যৱস্থা কৰা
  - বিজুলী, টেলিফোন আৰু অনাময় প্রণালী মেৰামতি
  - উপযুক্ত খাদ্য আৰু থকা ঠাই তথা কাপোৰ কানিৰ ব্যৱস্থা কৰা
  - নিখুঁতভাৱে ক্ষয়-ক্ষতিৰ জৰীপ ৰখা
  - খেতিৰ বাবে বীজ তথা অন্যান্য সা-সুবিধাসমূহৰ যোগান নিশ্চিত কৰা, ইত্যাদি।
- **দুর্যোগোত্তৰ কালৰ সম্ভাব্য কার্য্যৱলীৰ পৰিকল্পনা ঃ** ৰাষ্ট্রীয় পর্যায়ত সম্ভাব্য কার্যৱলীৰ পৰিকল্পনা ইতিমধ্যে প্রস্তুত কৰা হৈছে। দুর্যোগৰ সময়ত সংশ্লিষ্ঠ বিভাগসমূহৰ কৰিবলগীয়া বিস্তৃত তথা সুসংহত পৰিকল্পনা প্রস্তুতিৰ প্রয়োজন আছে। বিশেষকৈ দুর্যোগৰ সময়ত মোকাবিলা কৰিবলৈ বিভিন্ন পর্যায়ত কেন্দ্রীয়, ৰাজ্যিক আৰু জিলাসমূহত উচ্চক্ষমতাসম্পন্ন সমিতিৰ প্রয়োজন। গাওঁ পঞ্চায়তসমূহতো সমিতি গঠনৰ প্রয়োজন আছে। বিশেষকৈ জিলা পর্যায়ত কিছুমান বিশেষ গোট গঠন কৰা উচিত, যেনে — সংকেত বাহিনী, উদ্ধাৰকাৰী দল, প্রাথমিক স্বাস্থ্য সেৱা, শিবিৰ ব্যাৱস্থাপনা, খোৱাপানী তথা অনাময়, ক্ষতিপূৰণৰ বাবে সমীক্ষা, সাহায্য প্রদান তথা সমন্বয়ৰক্ষী গোট, ইত্যাদি।
- **দুর্যোগোত্তৰ কালত সৃষ্টি হোৱা মনস্তত্ত্ব ঃ** দুর্যোগোত্তৰ কালত ক্ষয়-ক্ষতি হোৱা অঞ্চলৰ বাসিন্দাসকলৰ মনত প্রাকৃতিক দুর্যোগৰ পৰা আৰু তাৰ দ্বাৰা সৃষ্টি হোৱা বিপদ তথা সমস্যাৰ চিন্তাই বিৰূপ প্রতিক্রিয়াৰ সৃষ্টি কৰে। বহুতো মানুহে প্রাকৃতিক দুর্যোগ বিধিৰ লিখনৰ বাবে হয় বুলি (অন্ধবিশ্বাস) ভাবে। দুর্যোগপ্রৱণ অঞ্চলৰ মানুহৰ সাধাৰণতে নিৰাপত্তা বিঘ্নিত হয়। তাৰ ফলত ভয়, মানসিক উদ্বেগ, মানসিক উৎকণ্ঠা, বিষন্নতা, তিক্ততা, দুর্বলতা, নিদ্রাৰ অভাৱ, খং, অনুৎসাহ, কর্মদক্ষতাৰ হ্রাস, ইত্যাদিৰ সৃষ্টি হয়। দুর্যোগোত্তৰ কালত উদ্ভৱ হোৱা মনস্তত্ত্বৰ পৰিবর্তন সাধিবলৈ দুর্যোগ প্রশমন বিভাগে বিশেষ কর্মপন্থা হাতত ল'ব লাগে। বিশেষকৈ অসমত বানপানী এটা এৰাব নোৱাৰা প্রাকৃতিক দুর্যোগ। গতিকে বানপানীৰ লগত সহবাস কৰিবলৈ কিছুমান বিশেষ কার্যপন্থা হাতত ল'ব পৰা যায়।
- **পুনঃপ্রতিষ্ঠাৰ বাবে সাহায্য ঃ** দুর্যোগোত্তৰ কালত পুনঃপ্রতিষ্ঠাৰ বাবে বিশেষ সাহায্যৰ প্রয়োজন। উদাহৰণস্বৰূপে বানপানীৰ পিছত শস্য বীজৰ ব্যৱস্থা কৰাতো অতি প্রয়োজন।

তাৰ বাবে ওখ অঞ্চলসমূহত কঠীয়া সিচাঁৰ বাবে কৃষি বিভাগে বিশেষ ব্যৱস্থা লৈ বানপানীৰ পৰৱৰ্তী কালত বিতৰণৰ ব্যৱস্থা কৰা উচিত। দুর্যোগৰ ফলত ক্ষয়-ক্ষতি হোৱা আন্তঃগাঁথনিৰ দ্রুতগতিত পুনঃপ্রতিষ্ঠাৰ বাবে ব্যৱস্থা গ্রহণ কৰাটো অত্যন্ত আৱশ্যকীয়। ইয়াৰ উপৰি দুর্যোগৰ পিছত হোৱা ক্ষয়-ক্ষতিৰ মোকাবিলা কৰিবলৈ পেচাদাৰী পৰামর্শৰ ব্যৱস্থা হাতত লব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ দুর্যোগৰ সময়ত বিজুলী যোগান ব্যাহত হ'লে কি কৰিব লাগে ?

.....

.....

প্রশ্ন নং ৫ ঃ দুর্যোগোত্তৰ কালত ক্ষয়-ক্ষতি হোৱা অঞ্চলৰ বাসিন্দাসকলৰ মনস্তত্ত্বৰ পৰিৱর্তন ঘটেনে?

.....

.....

৭.৭ স্বেচ্ছাসেৱী সংস্থা আৰু লোকসমাজৰ অংশগ্রহণ

দুর্যোগত তিষ্ঠি থাকিবলৈ হ'লে বিভিন্ন সম্প্রদায় তথা লোকসমাজ সদায় সাজু হৈ থকাতো এটা প্রয়োজনীয় দিশ। বিশেষকৈ বিভিন্ন স্বেচ্চাসেৱী সংস্থাসমূহে এইক্ষেত্রত বিশেষ ব্যৱস্থা গ্রহণ কৰাটো কাম্য। বিভিন্ন দুর্যোগৰ সময়ত যদিহে দুর্যোগ প্রশমনৰ সৈতে জড়িত বিভাগ বা কর্মী উপযুক্ত বা প্রশিক্ষত হয় আৰু সু-সজ্জিত তথা সচেতন হৈ থাকে তেতিয়া হ'লে ইয়াৰ পৰা বহুলাংশে পৰিত্রাণ পোৱা যায়। এইক্ষেত্রত স্বেচ্চাসেৱী সংস্থা আৰু লোকসমাজৰ অংশগ্রহণে ইতিবাচক প্রভাৱ পেলাবলৈ সক্ষম হ'ব। তাৰ বাবে স্বেচ্ছাসেৱী অনুষ্ঠান আৰু বিভিন্ন সম্প্রদায়ৰ মাজত পাৰস্পৰিক সহযোগিতা বিশেষভাৱে প্রয়োজন। ইয়াৰ কার্যকৰীকৰণৰ বাবে দায়িত্বশীল তথা বিভিন্ন ধৰণে সচেতন হোৱা প্রয়োজন, যেনে — প্রাক্-কালীন সজাগতা বৃদ্ধি, তাৎক্ষাণিক উদ্ধাৰ, দুর্যোগ হোৱাৰ পিছত পুনৰ সংস্থাপন আৰু পৰিবেশ উন্নতকৰণ, ইত্যাদি। ইয়াৰ বাবে প্রয়োজন হ'ব বছৰজোৰা কার্যপ্রণালী আৰু তাৎক্ষণিকভাৱে মোকাবিলা কৰাৰ পাৰদর্শিতা। এইক্ষেত্রত স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবে সদা তৎপৰ হৈ থাকিব লাগিব। উদাহৰণস্বৰূপে, বাৰিষাৰ সময়ত বানপানীৰ আগতীয়া সংকেত, তাৎক্ষণিক উদ্ধাৰ, দুর্যোগৰ পিছত হোৱা ক্ষয়-ক্ষতিৰ উন্নতকৰণ, ইত্যাদি। ইয়াৰ উপৰি সাহায্য বিতৰণ, ঔষধ বিতৰণ, বীজ আৰু জীয়াই থকাৰ বাবে প্রয়োজনীয় সম্পদৰ যোগান সুনিশ্চিত কৰা, ইত্যাদি প্রণিধানযোগ্য।

দুর্যোগৰ কবলত পৰি বহুতো দুখীয়া মানুহৰ অৱস্থা পানীত হাঁহ নচৰা হয়। সাধাৰণতে

বানপানীৰ সময়ত ঘৰৰ ক্ষতি তথা খেতি মাটিসমূহ খেতি কৰাৰ বাবে অনুপযুক্ত হোৱাৰ বাবে এনে অৱস্থাৰ উদ্ভৱ হয়। এই ক্ষেত্ৰত স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে দীৰ্ঘম্যাদী তথা হস্ৰকালীন সহায় আগবঢ়োৱাতো অত্যন্ত দৰকাৰী ।

৭.৮ জাতীয় দুর্যোগ ব্যৱস্থাপনা আৰু পৰিকল্পনা

দুর্যোগ ব্যৱস্থাপনা সাধাৰণতে বিভিন্ন বিভাগসমূহে সু-সমন্বয়ৰ যোগেদি কৰা এক সামূহিক প্ৰচেষ্টা। জাতীয় দুর্যোগ ব্যৱস্থাপনাৰ পৰিকল্পনা হ'ল দুর্যোগৰ বাবে সাজু, আগলিবতৰা, সতর্কবাণী, উদ্ধাৰ, অনুসন্ধান, সাহায্য প্ৰদান, পুনৰ সংস্থাপন, মেৰামতি, ইত্যাদি বিষয়সমূহ বিশেষ লক্ষ্য হিচাপে লৈ যুগুত কৰিবলগীয়া এক ব্যৱস্থা। এই ক্ষেত্ৰত বিভিন্ন পর্যায়ত বিভিন্ন বিভাগসমূহক জড়িত কৰি প্ৰশিক্ষণৰ যোগেদি সাজু কৰি তুলিব লাগিব। এই ক্ষেত্ৰত প্ৰশাসক, বিজ্ঞানী, পৰিকল্পনা বিষয়া, স্বেচ্ছাসেৱী আৰু বিভিন্ন লোকসমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। দুর্যোগৰ আগত তথা দুর্যোগোত্তৰ কালত উক্ত সংস্থা তথা সামাজিক অনুষ্ঠানসমূহে সুসমন্বয় ৰক্ষা কৰি কাম কৰা উচিত।

ইতিমধ্যে জাতীয় দুর্যোগ ব্যৱস্থাপনা সংস্থাই (Natural Hazard Management Authority, NHMA) দুর্যোগপ্ৰৱণ অঞ্চলসমূহ চিহ্নিত কৰি সম্ভাব্য বিপদৰ বিষয়ে ৰাইজক অৱগত কৰিছে। ভাৰত চৰকাৰৰ এই সংস্থাটোৱে বিভিন্ন বিভাগসমূহ তথা স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগত কেতবোৰ বিশেষ কার্যসূচী গ্ৰহণ কৰিছে। তাৰ ভিতৰত দুর্যোগপ্ৰৱণ অঞ্চলৰ মানচিত্ৰ, মাটিৰ ব্যৱহাৰ মানচিত্ৰ আদি প্ৰয়োজনীয় সামগ্ৰী বিভিন্ন সংস্থা তথা অনুষ্ঠানসমূহক যোগান ধৰিছে। নগৰ অঞ্চলসমূহত দুর্যোগ প্ৰতিৰোধকাৰী ঘৰ তথা দলং নির্মাণৰ নিয়মসমূহ বলবৎ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ জাতীয় দুর্যোগ ব্যৱস্থাপনা সংস্থাৰ এটা প্ৰধান কাম উল্লেখ কৰক ?

.....

.....



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ সৃষ্টই হওক বা প্ৰাকৃতিকভাৱেই সৃষ্টই হওক, দুর্যোগে মানৱ সমাজত গভীৰ প্ৰভাৱ

পেলায়। প্রাকৃতিক দুর্যোগৰ ফলত মানুহৰ মৃত্যু তথা হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ আমি কেতিয়াও ৰোধ কৰিব নোৱাৰো। কিন্তু এই ক্ষয়-ক্ষতিৰ পৰিমাণ কিছু পৰিমাণে হ্ৰাস কৰিব পৰোঁ। ইয়াকেই দুর্যোগৰ বাবে সাজু হোৱা বা দুর্যোগ ব্যৱস্থাপনা বোলা হয়।

- যিকোনো দুর্যোগৰ আগলি বতৰাৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হ'ল, যাতে ইয়াৰ ফলত হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ কমাব পৰা যায়। প্ৰধানতঃ উন্নয়নশীল আৰু অনুন্নত দেশসমূহত প্ৰাকৃতিক দুর্যোগৰ প্ৰভাৱ আটাইতকৈ বেছি। ইয়াৰ প্ৰকৃত কাৰণ হ'ল এনে দেশসমূহত দুর্যোগ ব্যৱস্থাপনাৰ প্ৰয়োজনীয় আন্তঃগাঁথনি তথা সুসংহত পৰিকল্পনাৰ অভাৱ। আনহাতে বৰ্দ্ধিত জনসংখ্যাও ক্ষয়-ক্ষতি বৃদ্ধিৰ অন্যতম কাৰণ।
- প্ৰাক্-দুর্যোগকালীন নিৰাপত্তামূলক ব্যাৱস্থাসমূহ হ'ল —
  - আগতীয়া সৰ্তকতা
  - তথ্যপদ্ধতিৰ আধাৰত দুর্যোগৰ আগলিবতৰা প্ৰস্তুত
  - তথ্য পদ্ধতিৰ আধাৰত সিদ্ধান্ত গ্ৰহণ
  - দুর্যোগ ব্যাৱস্থাপনাৰ পৰিকল্পনা প্ৰস্তুত
  - স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা বৃদ্ধি
  - নিৰাপদ কাৰ্যক্ৰমণিকা
- জৰুৰীকালীন সাহায্যসমূহ হ'ল —
  - পানী যোগান
  - বিজুলী সৰবৰাহ
  - আন্তঃগাঁথনি নিমাৰ্ণ
  - সাহায্য শিবিৰ পৰিচালনা
  - প্ৰাথমিক চিকিৎসা
  - যোগাযোগ ব্যৱস্থা
  - পাৰস্পৰিক সহযোগিতা
  - উদ্ধাৰকাৰী বাহিনী গঠন
  - অত্যাৱশ্যকীয় সেৱা আৰু সমন্বয় ৰক্ষা ব্যৱস্থা
- দুর্যোগৰ সময়ত ল'বলগীয়া ব্যৱস্থাসমূহ এনেধৰণৰ —
  - সাহায্য শিবিৰ ব্যৱস্থাপনা
  - সম্পদ সুৰক্ষা
  - দুর্যোগোত্তৰ কালত প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱস্থাপনা
  - দুর্যোগোত্তৰ কালত সাহায্য
  - দুর্যোগোত্তৰ কালৰ সম্ভাব্য কাৰ্য্যৱলীৰ পৰিকল্পনা
  - দুর্যোগোত্তৰ কালত সৃষ্টি হোৱা মনস্তত্ব
  - পুনৰ সংস্থাপনৰ বাবে সাহায্য

- দুর্যোগত তিষ্ঠি থাকিবলৈ হ'লে বিভিন্ন সম্প্রদায় তথা লোকসমাজ সদায় সাজু হৈ থকাতো এটা প্রয়োজনীয় দিশ।
- ভাৰতীয় জাতীয় দুর্যোগ ব্যৱস্থাপনা সংস্থাই (Natural Hazard Management Authority, NHMA) দুর্যোগপ্রৱণ অঞ্চলসমূহ চিহ্নিত কৰি সম্ভাব্য বিপদৰ বিষয়ে ৰাইজক অৱগত কৰিছে। ভাৰত চৰকাৰৰ এই সংস্থাটোৱে বিভিন্ন বিভাগসমূহ তথা স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগত কেতবোৰ বিশেষ কার্যসূচী গ্রহণ কৰিছে।



৭.১০ অধিক জানিবলৈ

১) Singh, R.B. (2009). *National Hazard & Disaster Management. Vuluerability and Mitigation.* Delhi: Rawat Publication.

২) Singh, S. (2008). *Environmental Geography.* Allahbad: Prayag Pustak Bhawan.

৩) Talwar, A. K. & Juneja. S. (2008). *Encyclopaedia of Disaster Management (Set of 10 Vols.).* Commonwealth Publishers.

৪) Talwar, A. K. & Juneja. S. (2009). *Hazardous Materials Disaster Management.* Commonwealth Publishers.

৫) Talwar, A. K. & Juneja. S. (2009). *Human Made Disaster Management.* Commonwealth Publishers.

৬) Talwar, A. K. & Juneja. S.(2009). *Natural Disaster Management.* Commonwealth Publishers.



৭.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯০-২০০০-ৰ দশকটোক।

২ নং প্রশ্নৰ উত্তৰ ঃ গৃহ মন্ত্রণালয়, কেন্দ্রীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগ।

৩ নং প্রশ্নৰ উত্তৰঃ ২০০৫ চনৰ পৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ অপাৰম্পৰিক বিজুলী শক্তিৰ ব্যৱস্থা কৰিব লাগে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ঘটে।

৬ নং প্রশ্নৰ উত্তৰ ঃ দুর্যোগপ্রৱণ অঞ্চলৰ মানচিত্র অংকন।



৭.১২ সম্ভাব্য প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ দুর্যোগ ব্যৱস্থাপনা মানে কি?

প্রশ্ন ১ ঃ যিকোনো দুর্যোগৰ আগলি বতৰা প্রদান কৰাৰ মুখ্য উদ্দেশ্য কি?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রাক্-দুর্যোগকালীন নিৰাপত্তামূলক ব্যাৱস্থাসমূহৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ চমুটোকা লিখক—

(ক) জৰুৰীকালীন সহায্য

(খ) দুর্যোগ ব্যৱস্থাপনা সম্পর্কে স্কুলীয়া ছাত্র-ছাত্রীৰ মাজত সজাগতা বৃদ্ধি

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ দুর্যোগৰ সময়ত ল'বলগীয়া ব্যৱস্থাসমূহৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ২ ঃ স্বেচ্ছাসেৱী সংস্থা আৰু লোকসমাজৰ অংশগ্রহণে কেনেদৰে দুর্যোগ ব্যৱস্থাপনাত সহায় কৰে? উদাহৰণসহ বুজাই লিখক।

*** **** ***



প্রসংগ পুথি

অসমীয়া গ্রন্থ ঃ

১) গগৈ, ৰোহিনী আৰু অন্যান্য(২০০৬); *পৰিৱেশ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

২) ভট্টাচার্য্য, কৃষ্ণগোপাল; ভট্টাচার্য্য, ৰঞ্জিত নাথ আৰু সিদ্ধিনাথ শর্মা (২০০৯) ; *পৰিৱেশ অধ্যয়ন;* গুৱাহাটীঃ অসম বুক ডিপো।

৩) লহকৰ, প্রিয়ব্রত আৰু দাস, জাহ্নৱী (২০০৪) ; *পৰিৱেশ অধ্যয়ন;* গুৱাহাটী ঃ মর্ডান পাব্লিচার্ছ।

ইংৰাজী গ্রন্থ ঃ

৪) Asthana, D. K. & Meera A. (2012) *A Textbook of Environmental Studies*. New Delhi: S. Chand and Company Ltd.

৫) Bharucha, E. (2004). *A Textbook of Environmental Studies.* New Delhi: UGC.

৬) Kaushik, A. & Kaushik, C. P.(2006) *Perspectives in Environmental Studies.* India: New Age Publications (Academic).

৭) Singh, R.B. (2009). *National Hazard & Disaster Management. Vuluerability and Mitigation.* Delhi: Rawat Publication.

৮) Singh, S. (2008). *Environmental Geography.* Allahbad: Prayag Pustak Bhawan.

৯) Talwar, A. K. & Juneja. S. (2008). *Encyclopaedia of Disaster Management (Set of 10 Vols.).* Commonwealth Publishers.

১০) Talwar, A. K. & Juneja. S. (2009). *Hazardous Materials Disaster Management.* Commonwealth Publishers.

১১) Talwar, A. K. & Juneja. S. (2009). *Human Made Disaster Management.* Commonwealth Publishers.

১২) Talwar, A. K. & Juneja. S.(2009). *Natural Disaster Management.* Commonwealth Publishers.